# Prime Minister speaks on telephone with President of the Russian Federation

December 16, 2022

# ৰাছীয়ান ফেডাৰেশ্যনৰ ৰাষ্ট্ৰপতি মহামহিম ব্লাডিমিৰ পুটিনৰে টেলিফোনত বাৰ্তালাপ কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে

**ডিচেম্বৰ 16, 2022**

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাছীয়ান ফেডাৰেশ্যনৰ ৰাষ্ট্ৰপতি মহামহিম ব্লাডিমিৰ পুটিনৰে টেলিফোনত বাৰ্তালাপ কৰে।

সমৰখণ্ডত অনুষ্ঠিত 'এছচিঅ' শীৰ্ষ সন্মিলন'ৰ আহৰি পৰত নেতাদ্বৰ মাজত অনুষ্ঠিত বৈঠকৰ পিচত হোৱা এই বাৰ্তালাপত দুয়োগৰাকী নেতাই 'শক্তি-সহযোগিতা', 'বাণিজ্য আৰু বিনিয়োগ', 'প্ৰতিৰক্ষা তথা নিৰাপত্তা সহযোগিতা' তথা অন্য গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহকে ধৰি দ্বিপাক্ষিক সম্পৰ্ক সম্পৰ্কীয় প্ৰসংগসমূহৰ বিভিন্ন দিশ পৰ্যালোচনা কৰে।

অব্যাহত থকা ইউক্ৰেইন সংঘাত সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে আলোচনা আৰু কূটনৈতিক পন্থা অৱলম্বনৰ বাবে তেওঁ জনোৱা আহ্বানকে দোহাৰি ইয়াৰ জৰিয়তহে সমাধানৰ সূত্ৰ ওলোৱাৰ কথা উল্লেখ কৰে।

প্ৰধানমন্ত্ৰীয়ে ভাৰতে গ্ৰহণ কৰা 'জি-২০'ৰ অধ্যক্ষতা সন্দৰ্ভত ৰাষ্ট্ৰপতি পুটিনক তথ্য অৱগত কৰাৰ লগতে ভাৰতে গ্ৰহণ কৰা প্ৰথমিকতাসমূহৰো আভাস দিয়ে। তেওঁ 'ছাংইহাই কো-অপাৰেশ্যন অৰ্গেনাইজেশ্যন'-ৰ ভাৰতে গ্ৰহণ কৰা অধ্যক্ষতাৰ সময়ছোৱাত দুয়োখন দেশে একেলগে কাম কৰি যোৱাৰ বাবে কৰা আশাৰ কথাও উল্লেখ কৰে।

দুয়োগৰাকী নেতাই পৰস্পৰৰ মাজত নিয়মীয়া মিলা-মিচা অব্যাহত ৰখাৰ কথাত সহমত ব্যক্ত কৰে।

**নতুন দিল্লী**

**ডিচেম্বৰ 16, 2022**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.